Jawaharlal Nehru College Library
Estd.-1964
Boko Dist. Kamrup

# 2022

## ASSAMESE

( Modern Indian Language )

Paper : ASM-CC-3016

**( Prachin Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) বৰগীতসমূহক কোনগৰাকী পণ্ডিতে 'noble numbers' বুলি আখ্যা দিছে?

(খ) বৰগীতত উল্লেখ থকা 'থ্রুং' শব্দটোৰ সম্পূৰ্ণ ৰূপ লিখা।

(গ) 'অ' কি বেফুলা জাগ অ'' গীতটি সুকবি নাৰায়ণ দেৱৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(ঘ) অসমীয়া সাহিত্যত ব্যৱহৃত 'পাঁচালী' শব্দটো সংস্কৃত ভাষাৰ কোনটো শব্দৰ পৰা অহা বুলি পণ্ডিতসকলে মত পোষণ কৰিছে?

(ঙ) হৰিবৰ বিপ্ৰ কোন যুগৰ সাহিত্যিক?

(চ) 'বব্রুবাহনৰ যুদ্ধ' কাব্যৰ মূল ক'ৰ পৰা লোৱা হৈছে?

(ছ) কি বিষয়ত থকা অসামান্য পাণ্ডিত্যৰ বাবে অনন্ত কন্দলীয়ে 'শ্ৰীচন্দ্ৰভাৰতী' বিভূষণেৰে বিভূষিত হৈছিল?

(জ) 'কুমৰ হৰণ' কাব্যত হাস্যৰস সৃষ্টি কৰিবলৈ কবিয়ে সংযোজন কৰা এটা চৰিত্ৰ উল্লেখ কৰা।

(ঝ) 'কুমৰ হৰণ' কাব্য অনুসৰি বাণাসুৰৰ পুত্ৰ কেইজন আছিল?

(ঞ) অংকীয়া নাটত মাংগলিক ভক্তিজ্ঞাপক নৃত্য কোনে প্ৰদৰ্শন কৰে?

(ট) অংকীয়া নাটত ব্যৱহৃত গদ্যক সাহিত্যিক-সমালোচক-সকলে কি গদ্য নামেৰে নামকৰণ কৰিছে?

(ঠ) 'অৰ্জ্জুন ভঞ্জন' নাটকখনৰ সৌষ্ঠৱ বৃদ্ধিৰ বাবে নাট্যকাৰে বিল্বমঙ্গল বা লীলাশুকৰ কোনখন গ্ৰন্থৰ পৰা শ্লোক সন্নিৱিষ্ট কৰিছে?





(ড) 'অৰ্জ্জুন ভঞ্জন' নাটৰ মূল ভাগৱতৰ কোনটো স্কন্ধৰ পৰা লোৱা হৈছে?

(ঢ) চৰিত পুথিমতে ভট্টদেৱে কোনখন গ্ৰন্থ প্ৰথমতে গদ্যত ৰচনা কৰিছিল?

(ণ) মহাৰাজ ধৃতৰাষ্ট্ৰৰ আগত কোনে কুৰুক্ষেত্ৰ সমৰৰ কথা বৰ্ণনা কৰিছিল?

(ত) ভট্টদেৱে 'কথা-গীতা' ৰচনা কৰোঁতে কাৰ টীকাক প্ৰধান অৱলম্বন হিচাপে লৈছিল?

(থ) 'ৰামৰ বন-গমন' নামৰ পাঠটি ৰঘুনাথ মহন্তৰ কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে?

(দ) 'ৰামৰ বন-গমন' পাঠটিত উল্লিখিত সুমন্ত কোন?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) বিষয়বস্তু অনুসৰি বৰগীতক কেইটা ভাগত ভাগ কৰিব পাৰি? যি কোনো এটা ভাগৰ নাম লিখা।

(খ) "মন মেৰি ৰাম চৰণেহি লাগু।" বৰগীতটি কোনে, ক'ত ৰচনা কৰিছিল?

(গ) শংকৰী যুগৰ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত দুগৰাকী কবিৰ নাম লিখা।

(ঘ) 'বভ্ৰুবাহনৰ যুদ্ধ' নামৰ কাব্যত ব্যৱহৃত দুবিধ ছন্দৰ নাম উল্লেখ কৰা।

(ঙ) 'বভ্ৰুবাহনৰ যুদ্ধ' নামৰ কাব্যৰ উপৰিও হৰিবৰ বিপ্ৰৰ নামত আৰু দুখন কাব্য পোৱা যায়। কাব্য দুখনৰ নাম কি কি?

(চ) 'কুমৰ হৰণ' কাব্যত পৰিস্ফুট হোৱা দুবিধ শব্দালংকাৰৰ নাম লিখা।

(ছ) ''আৰে বালক কানু কয়ো পয়োসাৰ।
সঙ্গে যশোৱা মাই কৰত বিহাৰ॥''

ইয়াত থকা 'পয়োসাৰ' আৰু 'বিহাৰ' শব্দ দুটিৰ অৰ্থ লিখা।

(জ) 'অৰ্জ্জুন ভঞ্জন' নাটত উল্লেখিত দুটি নাৰী চৰিত্ৰৰ নাম লিখা।

(ঝ) স্থিতপ্ৰজ্ঞ বুলিলে কি বুজা? চমুকৈ লিখা।

(ঞ) কৈকেয়ীৰ পিতৃয়ে যথা সময়ত কাক ৰাজভাৰ নিদি কোনজন পুত্ৰক ৰাজভাৰ দিছিল বুলি 'ৰামৰ বন-গমন' পাঠটিত কুঁজীয়ে কৈকেয়ীক কৈছিল?





৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) মহাপুৰুষ শংকৰদেৱে বিৰচিত 'জয় জয় যাদৱ' বৰগীতটিৰ বিষয়বস্তু তোমাৰ নিজৰ ভাষাত চমুকৈ লিখা।

(খ) সুকবি নাৰায়ণ দেৱ বিৰচিত 'অ' কি বেফুলা জাগ অ'' নামৰ গীতটিৰ মূলভাব লিখা।

(গ) হৰিবৰ বিপ্ৰৰ 'বভ্ৰুবাহনৰ যুদ্ধ' নামৰ কাব্যখনত চিত্ৰিত হোৱা অৰ্জুন আৰু বভ্ৰুবাহনৰ যুদ্ধৰ এটি বৰ্ণনা দিয়া।

(ঘ) ''উসা বোলে সখি তোৰ বুঝিলো আকলি।
আগে সাস খাই পিচে দিবিহি বাকলি॥''

প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা।

(ঙ) 'অৰ্জ্জুন ভঞ্জন' নাটত নন্দ-যশোদাৰ দাম্পত্য কলহ কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(চ) 'অৰ্জ্জুন ভঞ্জন' নাটৰ কাহিনীভাগৰ মাজত শ্ৰীকৃষ্ণৰ মানবীয় ৰূপ কেনেদৰে চিত্ৰিত হৈছে, আলোচনা কৰা।

(ছ) ভট্টদেৱৰ 'কথা-গীতা'ৰ ব্যাকৰণগত বৈশিষ্ট্যসমূহ চমুকৈ আলোচনা কৰা।

(জ) ৰঘুনাথ মহন্তৰ 'ৰামৰ বন-গমন' পাঠটিৰ আধাৰত ইয়াৰ গদ্যশৈলীৰ এটি আলোচনা কৰা।

৪ । তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) বৰগীতৰ এটি সংজ্ঞা দাঙি ধৰি ইয়াৰ সাহিত্যিক সৌন্দৰ্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা ।

(খ) শংকৰী যুগৰ বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱমুক্ত কবিসকলৰ কাব্যকৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা ।

(গ) হৰিবৰ বিপ্ৰৰ সাহিত্যকৃতিৰ বিষয়ে এটি আলোচনা কৰা ।

(ঘ) 'কুমৰ হৰণ' কাব্যৰ আধাৰত ঊষা আৰু চিত্ৰলেখা চৰিত্ৰ দুটিৰ একোটিকৈ আলোচনা কৰা ।

(ঙ) অনন্ত কন্দলীৰ চমু পৰিচয় দাঙি ধৰি 'কুমৰ হৰণ' কাব্যৰ কাহিনীভাগ আলোচনা কৰা ।

(চ) অংকীয়া নাটৰ বৈশিষ্ট্যসমূহ সামৰি এটি আলোচনা যুগুত কৰা ।

(ছ) " 'অৰ্জ্জুন ভঞ্জন' নাটৰ বিষয়বস্তু বিকাশৰ তিনিটা স্তৰ দেখা যায় ।" এই স্তৰ তিনিটা কি কি, আলোচনা কৰা ।

(জ) অসমীয়া কথা-সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে এটি আলোচনা আগবঢ়োৱা ।





(ঝ) 'কথা-গীতা'ৰ দ্বিতীয় অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক 'দেহাত্মবিবেক' সম্পৰ্কে দিয়া উপদেশবাণী তোমাৰ নিজৰ ভাষাত লিখা ।

(ঞ) 'ৰামৰ বন-গমন' পাঠটিৰ কথাখিনি তোমাৰ নিজৰ ভাষাত বৰ্ণনা কৰা ।

***